NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 22-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin

HEADLINES

১। সোণ ক্রয় হ্রাস কৰিবলৈ যোৱা বছৰ জনোৱা আহ্বানৰ প্ৰতি জনসাধাৰণৰ সঁহাৰিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্তুষ্টি প্ৰকাশ কৰিছে।

২। সেনা বাহিনী আৰু আই টি বি পিক কৃষকসকলৰ পৰা প্ৰত্যক্ষভাৱে কৃষিজাত সামগ্ৰী ক্ৰয় কৰিবলৈ পৰামৰ্শ দিয়া হৈছে বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এন চি চি দিৱস উপলক্ষে আজি বাহিনীটোৰ কেডেট আৰু কৰ্মচাৰীসকলক অভিন্দন জনাইছে।

৪। ভাৰতে চিনেমা উদ্যোগত অংশীদাৰিত্ব গঢ়ি তোলাৰ লক্ষ্যৰে ব্ৰীকছ ৰাষ্ট্ৰগোটৰ সদস্য আৰু অংশীদাৰ দেশসমূহৰ মাজত শক্তিশালী সহযোগিতাৰ আহ্বান জনাইছে। ***আ/ৰু***

৫। নিউজিলেণ্ডৰ বিৰুদ্ধে ৱেলিংটন অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সোণ ক্ৰয় হ্ৰাস কৰিবলৈ যোৱা বছৰ জনোৱা আহ্বানৰ প্ৰতি জনসাধাৰণৰ সঁহাৰিত সন্তুষ্টি প্ৰকাশ কৰিছে। লক্ষ্ণৌত এটা অনুষ্ঠানত অংশ গ্ৰহণ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁৰ এই আহ্বানৰ পাছত জনসাধাৰণে সোণ কিনা কমাই দিয়াত সোণৰ মূল্য হ্ৰাস হোৱাৰ লগতে ক্ৰেতাৰ ধনো ৰাহি হয়। পশ্চিম এছিয়াৰ সংঘৰ্ষৰ ফলত খনিজ তেলৰ মূল্য বৃদ্ধিৰ সময়ত ভাৰতৰ বিদেশী মুদ্ৰাভাণ্ডাৰত প্ৰভাৱ পৰাত প্ৰধানমন্ত্ৰীয়ে দেশবাসীক সোণ ক্ৰয়ৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছিল।

বাইট-মোদী

উল্লেখযোগ্য যে বিগত কেইমাহমানত সোণৰ মূল্য উল্লেখনীয়ভাৱে হ্ৰাস পাইছে। চলিত বৰ্ষৰ মে'ত ২৪ কেৰেট সোণৰ মূল্য প্ৰতিগ্ৰামত ১৫ হাজাৰ ২৫০ টকাৰ পৰা কালি ১২ হাজাৰ ৫২৩ টকালৈ হ্ৰাস পাইছে।

০০০০০০০০

সেনা বাহিনী আৰু ভাৰত-তিববতীয় সীমান্ত আৰক্ষী, আই টি বি পিক অৰুণাচল প্ৰদেশৰ কৃষকসকলৰ পৰা প্ৰত্যক্ষভাৱে কৃষিজাত সামগ্ৰী ক্ৰয় কৰিবলৈ পৰামৰ্শ দিয়া হৈছে বুলি কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰে। তেওঁ কয়, যে এই ব্যৱস্থাই উপযুক্ত বজাৰৰ সৃষ্টি কৰাৰ লগতে স্থানীয় কৃষকসকলক আৰ্থিক সুবিধা প্ৰদান কৰিব আৰু সুৰক্ষা বাহিনীক গুণগত মানসম্পন্ন খাদ্য যোগান নিশ্চিত কৰিব। অৰুণাচল প্ৰদেশৰ ইটানগৰত দৰ্জী খান্দু ৰাজ্যিক অভিৱৰ্তন কেন্দ্ৰত আজি আয়োজিত সমবায় ভৱিষ্যনথি ঃ ২০২৭ শীৰ্ষক সন্মিলনত অংশ লৈ দিয়া ভাষণত গৃহমন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয়, যে এই পদক্ষেপে সুৰক্ষা বাহিনী আৰু স্থানীয় লোকসকলৰ মাজত আস্থা আৰু পাৰস্পৰিক সহযোগিতাৰ মনোভাৱ সৃষ্টি কৰি তেওঁলোকৰ মাজৰ বান্ধোন শক্তিশালী কৰিব। আত্মনিৰ্ভৰশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি শ্ৰী শ্বাহে কয়, যে ৰাজ্যসমূহৰ লগতে দেশখন স্বাৱলম্বন যোজনাৰ দৰে ব্যৱস্থাৰ অধীনত আগবাঢ়ি যাবলৈ তেওঁ ৰাজ্যখনৰ চৰকাৰক প্ৰতিগৰাকী নাগৰিকৰ সুবিধাৰ্থে নিয়োগ আৰু উন্নয়নৰ সুযোগসমূহ উপলভ্য কৰিবলৈ আহ্বান জনায়। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে জনসাধাৰণৰ

উন্নত জীৱনযাত্রা আৰু কল্যাণত প্ৰকৃত উন্নয়নৰ স্বৰূপ প্ৰতিফলিত হয়। তেওঁ উদ্যোগী, কৃষক আৰু মীন পালকসকলক চৰকাৰী ব্যৱস্থাৰ জৰিয়তে একেলগে সামৰি ল'বলৈ আহ্বান জনায়। বিশেষকৈ ৰাজ্যখনত মীন পালন ত্বৰান্বিত কৰাৰ বাবে মৎস্য খণ্ডৰ ওপৰত গুৰুত্ব আৰোপ কৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ ৰাজ্যখনৰ আন্তঃগাঁথনি উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি কয়, যে অৰুণাচল প্ৰদেশলৈ বিত্তীয় সাহায্যৰ পৰিমাণ বৃদ্ধি কৰা হৈছে। এই প্ৰসংগতে মন্ত্ৰীগৰাকীয়ে পাচিঘাট আৰু ডিব্ৰুগড় সংযোগী বগীবিল দলং, নামচিক-নামফুক কয়লাখনন প্ৰকল্প, দিবাং বহুমুখী জলবিদ্যুৎ প্ৰকল্প আৰু দঞিপল' বিমান বন্দৰৰ কথা উল্লেখ কৰে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উত্তৰ-পূবৰ বিকাশত অগ্ৰাধিকাৰ দিয়া হৈছে। অৰুণাচল প্ৰদেশৰ আৰক্ষীক ৰাষ্ট্ৰপতিৰ সন্মানীয় আৰক্ষী নিচান সন্মান প্ৰদান কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে।

০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এন চি চি দিৱস উপলক্ষে আজি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেট আৰু কৰ্মচাৰীসকলক অভিন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসিঙে কয় যে এন চি চি সদায় একতা আৰু অনুশাসনৰ প্ৰতীক হিচাপে চিহ্নিত হোৱাৰ উপৰি দেশৰ প্ৰতি নিস্বাৰ্থ সেৱাৰ উদাহৰণ হৈ আহিছে। তেওঁ কয় যে এন চি চিয়ে যুৱ সমাজক নেতৃত্ব, চৰিত্ৰ আৰু ৰাষ্ট্ৰীয় দায়িত্বৰ প্ৰতি সজাগ কৰি আহিছে। ভাৰতৰ বৈচিত্ৰ আৰু দেশৰ যুৱ সমাজৰ সীমাহীন সম্ভাৱনাৰ শক্তিক এন চি চিয়ে প্ৰতিফলন কৰা বুলিও প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

অসম চৰকাৰে কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান আৰু দক্ষতা বিকাশ ব্যৱস্থাক বিশ্বমানৰ উৎকৰ্ষতাৰ শাৰীলৈ লৈ যোৱাৰ বাবে ৪ হাজাৰ কোটি টকাৰো অধিক ব্যয় সাপেক্ষে পৰিকল্পনা লৈছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আই আই টি খড়গপুৰ আৰু লক্ষ্ণৌৰ আই টি আইত শীৰ্ষস্থান লাভ কৰাৰ পঞ্চম দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰাৰ প্ৰসংগতে মুখ্যমন্ত্ৰীয়ে এইকথা উল্লেখ কৰে। তেওঁ কয় যে কাৰিকৰী শিক্ষাৰ প্ৰতিষ্ঠান আৰু প্ৰযুক্তি শিক্ষাৰ প্ৰতিষ্ঠান উভয়কে দেশৰ সম্পদ গঢ়াৰ কেন্দ্ৰ হিচাপে বিকশাই তোলাৰ প্ৰয়াস কৰা হৈছে।

০০০০০০০০

ভাৰতে চিনেমা উদ্যোগত অংশীদাৰিত্ব গঢ়ি তোলাৰ লক্ষ্যৰে ব্ৰীকছ ৰাষ্ট্ৰগোটৰ সদস্য আৰু অংশীদাৰ দেশসমূহক চিনেমা, সহ প্ৰযোজনা, বিষয়বস্তুৰ বিনিময় আৰু বিস্তাৰিত সৃষ্টিশীল অৰ্থনীতিৰ ক্ষেত্ৰত শক্তিশালী সহযোগিতাৰ আহ্বান জনাইছে। গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক আন্তৰ্জাতিক ভাৰতৰ চলচ্চিত্ৰ মহোৎসৱৰ অংশ হিচাপে আয়োজিত ব্ৰিকছ ঘুৰণীয়া মেজমেলত ভাষণ দি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ অতিৰিক্ত সচিব এ এছ প্ৰভাতে এই আহ্বান জনায়। তেওঁ কয় যে সাংস্কৃতিক বুজাবুজি আৰু মানৱীয় অভিজ্ঞতাৰ কথনৰ জৰিয়তে জনসাধাৰণক একগোট কৰাত চিনেমাৰ বিশেষ ভূমিকা আছে। তেওঁ আই এফ এফ আইৰ ব্ৰীকছ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হ'বলগীয়া ব্ৰিকছৰ সদস্য আৰু অংশীদাৰ ৰাষ্ট্ৰসমূহৰ ২১ খন চিনেমাত আলোকপাত কৰে। এইসমূহ চিনেমাত গণতন্ত্ৰ, খিলঞ্জীয়াৰ পৰিচয়, নাৰী অধিকাৰ, প্ৰব্ৰজন, জলবায়ু পৰিৱৰ্তন, সামাজিক ৰূপান্তৰ আদিক বিষয়বস্তু হিচাপে উপস্থাপন কৰা হৈছে। শ্ৰীপ্ৰভাতে এনিমেছন, ভিজুৱেল ইফেক্ট, গেমিং, আধুনিক প্ৰযুক্তি আৰু সামৰ্থ্য বৰ্ধন আদিৰ ক্ষেত্ৰতো দেশসমূহৰ মাজত শক্তিশালী সহযোগিতাৰ পোষকতা কৰে।

বাইট-প্ৰভাত

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব শম্ভু এল হাক্কিয়ে কয় যে চিনেমাই সাংস্কৃতিক পৰিৱৰ্তনৰ শক্তিশালী মাধ্যম হিচাপে কাম কৰাৰ লগতে দুখন সমাজৰ মাজত কাহিনী, ধাৰণা আৰু দৈনন্দিন অভিজ্ঞতাৰ বিনিময় কৰে। চিনেমাৰ জৰিয়তে সীমান্তৰ দুয়োপাৰৰ যৌথ বুজাবুজিও সম্ভৱ হৈ উঠে বুলি শ্ৰীহাক্কিয়ে মত প্ৰকাশ কৰে। তেওঁ কয় যে গোৱা চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন হবলগীয়া ব্ৰীকছৰ সদস্য আৰু অংশীদাৰ ৰাষ্ট্ৰসমূহৰ চিনেমাসমূহে সাংস্কৃতিক বিনিময় বন্ধুত্ব আৰু যৌথ বুজাবুজিৰ সৃষ্টিত শক্তিশালী ভূমিকা পালন কৰিব।

অনুষ্ঠানত ভাষণ দি ৰাষ্ট্ৰীয় চলচ্চিত্ৰ উন্নয়ন নিগমৰ অধ্যক্ষ জি কৃষ্ণ কুমাৰে কয় যে চিনেমা হৈছে কলাতকৈও ওপৰৰ বিশেষ মাধ্যম আৰু ই সাংস্কৃতিক বুজাবুজিত গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সৃষ্টিশীলতাৰ গোলকীয় হাব হিচাপে পৰিচিত হোৱাৰ বাবে কাম কৰি আছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ কয়, যে ব্ৰীকছ চলচ্চিত্ৰ বজাৰে এহেজাৰ ১২৬ গৰাকী প্ৰতিনিধিক একগোট কৰিছে। এই ঘুৰণীয়া মেজমেলত মুম্বাইত থকা ৰাছিয়ান ফেডাৰেছনৰ উপ কনচ্যল জেনেৰেল আলেকচন্দ্ৰা ফুৰছভ ভাৰতত থকা নাইজেৰিয়াৰ উচ্চায়ুক্ত মুহাম্মদ চাইদু দাহিৰু, গোৱাৰ এণ্টাৰটেইনমেণ্ট ছোছাইটিৰ মুখ্য কাৰ্যবাহী বিষয়া দীপক বান্দেকাৰৰ লগতে অন্যান্য বিষয়াবৰ্গ আৰু ব্ৰীকছৰ প্ৰতিনিধি বৰ্গ উপস্থিত থাকে। oooo

oooooooo

তিনি দিনীয়া সূচীৰে ভাৰতলৈ অহা বুলগেৰীয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ ভেলিছলাভা পেট্ৰ'ভা-চামুভাৰ ভ্ৰমণৰ আজি সামৰণি পৰে। এই ভ্ৰমণকালত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে ড০ ভেলিছলাভাৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্পৰ্কৰ সকলোবোৰ দিশ পৰ্যালোচনা কৰে। তেওঁলোকে বাণিজ্য আৰু বিনিয়োগ, আন্তঃগাঁথনিৰ বিকাশ, বিজ্ঞান আৰু প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, মহাকাশ, প্ৰতিৰক্ষা, শিক্ষা, সংস্কৃতি আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত সহযোগিতা শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰে। মন্ত্ৰী দুগৰাকীয়ে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজৰ সম্পৰ্ক সুদৃঢ় হোৱাক লৈ সন্তুষ্টি ব্যক্তি কৰে। তেওঁলোকে লগতে আঞ্চলিক আৰু গোলকীয় বিষয়ত মতবিনিময় কৰে। দুয়ো পক্ষই অনাগত পাঁচ বছৰত অংশীদাৰিত্ব শক্তিশালী কৰাৰ বাবে যুটীয়া ৰূপৰেখাৰ বিষয়ে আলোচনা কৰে।

oooooooo

নিউজিলেণ্ডৰ বিৰুদ্ধে ৰেলিংটনত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত শক্তিশালী স্থিতিত উপনীত হৈছে। ভাৰতে আজি খেলৰ চতুৰ্থ দিনা ৯ উইকেটৰ বিনিময়ত ৭২০ ৰান কৰি প্ৰথম ইনিংছ সমাপ্তিৰ কথা ঘোষণা কৰে। টেষ্ট ক্ৰিকেটৰ ইতিহাসত এয়া এটা ইনিংছত ভাৰতৰ সৰ্বাধিক স্কৰ আৰু সামগ্ৰিকভাৱে অষ্টাদশ সৰ্বাধিক ভাৰতে এই প্ৰদৰ্শনৰ সুবাদত নিউজিলেণ্ডৰ প্ৰথম ইনিংছতকৈ ৩৫২ ৰানৰ অগ্ৰগতি লাভ কৰে। প্ৰত্যুত্তৰত ঘৰুৱা দল নিউজিলেণ্ডে চতুৰ্থ দিনৰ খেলৰ সামৰণি পৰলৈকে দ্বিতীয় ইনিংছত ২ উইকেটৰ হেৰুৱাই ১১৯ ৰান সংগ্ৰহ কৰে। নিউজিলেণ্ড ৮টা উইকেট থকা অৱস্থাত ভাৰতৰ প্ৰথম ইনিংছতকৈ সামগ্ৰিকভাৱে ২৩৩ ৰানত পিছ পৰা আছে।

oooooooo

সমাপ্ত